# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

ooooo

১। ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক যোৱানিশা নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি এদিনীয়া ভ্ৰমণসূচীৰে ৰাজস্থানৰ জয়পুৰলৈ যাব।

৩। গাজা শান্তি সন্মিলনত ভাৰতৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰী কীৰ্তিবৰ্ধন সিং ইজিপ্তৰ ৰাজধানী কাইৰ'ত উপস্থিত হৈছে।

৪। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ যুটীয়া সামৰিক অনুশীলন অষ্ট্ৰাহিন্দ-২০২৫ৰ চতুৰ্থ সংস্কৰণ আজি অষ্ট্ৰেলিয়াৰ পাৰ্থত আৰম্ভ হ'ব। ***আৰু***

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে ৩ উইকেটত জয়লাভ কৰে।

ooooo

ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক যোৱানিশা নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাকে ধৰি দলৰ অন্যান্য জ্যেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰে। বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰণনীতি তথা প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰাৰ লক্ষ্যৰে এই বৈঠক অনুষ্ঠিত হয়। বিহাৰ নিৰ্বাচনত এন ডি এৰ আসন ভাগ বাটোৱাৰাৰ কথা ঘোষণা কৰাৰ পাছতে বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠকৰ আহ্বান জনোৱা হয়। বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে এন ডি এয়ে কালি ঘোষণা কৰা আসন ভাগ বাটোৱাৰা চুক্তি অনুসৰি বিজেপি আৰু জনতা দল ইউনাইটেডে ১০১ খনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে লোক জনশক্তি পাৰ্টিয়ে ২৯ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। একেদৰে ৰাষ্ট্ৰীয় লোক মৰ্চা আৰু হিন্দুস্তানী আৱাম মৰ্চাই ৬ খনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব।

এই নিৰ্বাচনত এন ডি এয়ে বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ বিৰুদ্ধে কঠিন যুঁজত অৱতীৰ্ণ হ'ব। আই এন ডি আই মিত্ৰজোঁটত তেজস্বী যাদৱৰ নেতৃত্বৰ ৰাষ্ট্ৰীয় জনতা দল, কংগ্ৰেছ, চি পি আই (এম এল) লিবাৰেচন, চি পি আই, চি পি আই (এম) আৰু মুকেশ সাহানিৰ নেতৃত্বত বিকাশশীল ইনছান পাৰ্টি আছে। আই এন ডি আই মিত্ৰজোঁটে এতিয়াও আসন ভাগ বাটোৱাৰাৰ ব্যৱস্থা চূড়ান্ত কৰা নাই।

বিহাৰ বিধানসভা নিৰ্বাচন অহা ৬ আৰু ১১ নৱেম্বৰত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে অহা বুধবাৰে বিহাৰত বুথ পৰ্যায়ৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে **মেৰা বুথ সবছে মজবুত** শীৰ্ষক কাৰ্যসূচীত যোগদান কৰি তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ আগবঢ়াবলৈ দলীয় কৰ্মীসকলক আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কিছুসংখ্যক বছা বছা কৰ্মীৰ সৈতে পোনপটীয়াকৈ বাৰ্তালাপ কৰিব বুলি জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি এদিনীয়া ভ্ৰমণসূচীৰে ৰাজস্থানৰ জয়পুৰলৈ যাব। এই ভ্ৰমণকালত তেওঁ নতুন ফৌজদাৰী আইন-ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ৰূপায়ণৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা ৰাজ্যিক পৰ্যায়ৰ প্ৰদৰ্শনী মুকলি কৰিব। ছদিনীয়াকৈ আয়োজন কৰা এই প্ৰদৰ্শনীত নতুন আইনৰ মুখ্য বিধানসমূহৰ আলোকপাত কৰাৰ লগতে ৰাজস্থানত এই আইনসমূহ ৰূপায়ণৰ পাছত লাভ কৰা অগ্ৰগতিসমূহ দেখুওৱা হ'ব। ইয়াৰ পাছত শ্ৰীশ্বাহে এখন জনসভাত ভাষণ দিব। এই অনুষ্ঠানতে তেওঁ ৰাইজিং ৰাজস্থান গোলকীয় বিনিয়োগ সন্মিলন ২০২৪ৰ অধীনত ৪ লাখ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া প্ৰকল্পসমূহৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ৯ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০

কেন্দ্ৰীয় পৰিৱেশ তথা বন ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিং, গাজা শান্তি সন্মিলনত ভাৰতৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণৰ উদ্দেশ্যে ইজিপ্তৰ ৰাজধানী কাইৰ'ত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশেষ প্ৰতিনিধি হিচাপে এই সন্মিলনত তেওঁ অংশগ্ৰহণ কৰিব বুলি সামাজিক মাধ্যমযোগে মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। যোৱা বৃহস্পতিবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শান্তি পৰিকল্পনাৰ প্ৰথম পৰ্যায়ত ইজৰাইল আৰু হামাছে বুজাবুজি কৰা কাৰ্যক পপ্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে আদৰণি জনাইছে। এই ক্ষেত্ৰত ইজৰাইলী প্ৰধানমন্ত্ৰী নেতান্যাহুৰ শক্তিশালী নেতৃত্বৰো শ্ৰীমোদীয়ে প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে পণবন্দীসকলক মুকলি কৰি দিয়া হ'ব আৰু গাজাৰ জনসাধাৰণলৈ প্ৰয়োজনীয় মানৱীয় সহায়-সাহায্য আগবঢ়োৱা হ'ব বুলিও আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ইজিপ্তৰ শ্বৰ্ম এল শ্বেইখত আজি গাজাত যুদ্ধ সমাপ্তিৰ উদ্দেশ্যে এখন চুক্তি চূড়ান্ত কৰাৰ লক্ষ্যৰে শান্তি সন্মিলন অনুষ্ঠিত হ'ব।

০০০০০

কানাডাৰ  বিদেশ মন্ত্ৰী অনিতা আনন্দ তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। তেওঁ আজি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ লগতে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলকো সাক্ষাৎ কৰিব। আলোচনাত দুয়োখন দেশৰ মাজত বাণিজ্য বৈচিত্ৰ্য, শক্তি ৰূপান্তৰ আৰু নিৰাপত্তাৰ দৰে বিষয়ত কৌশলগত সহযোগিতা বৃদ্ধিত আলোকপাত কৰা হ'ব। এই ভ্ৰমণৰ অংশ হিচাপে শ্ৰীমতী আনন্দ মুম্বাইলৈও যাব আৰু তাত তেওঁ বিনিয়োগ, কৰ্মসংস্থাপন সৃষ্টি আৰু অৰ্থনৈতিক সুবিধা সন্দৰ্ভত দেশ দুখনৰ ব্যৱসায় প্ৰতিষ্ঠানৰ মুৰব্বীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ যুটীয়া সামৰিক অনুশীলন অষ্ট্ৰাহিন্দ-২০২৫ৰ চতুৰ্থ সংস্কৰণ আজি অষ্ট্ৰেলিয়াৰ পাৰ্থত আৰম্ভ হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে, যে ২৬ অক্টোবৰত সামৰণি

পৰিবলগীয়া এই বাৰ্ষিক অনুশীলনত ভাৰতীয় সেনা বাহিনীৰ এটা ১২৫ জনীয়া দলে অংশগ্ৰহণ কৰিব। গোৰ্খা ৰাইফলছৰ এটা বেটেলিয়ন আৰু সেনাবাহিনীৰ অন্য শাখাৰ সৈনিকে এই দলৰ নেতৃত্ব বহন কৰিছে। সামৰিক সহযোগিতাৰ লগতে আন্তঃসঞ্চালন সামৰ্থ বৃদ্ধিয়েই এই অনুশীলনৰ মূল উদ্দেশ্য বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইয়াৰ উপৰি এই অনুশীলনে অংশগ্ৰহণ কৰা সৈনিকসকলক নগৰীয় বা উপ-নগৰীয় এলেকাত যুদ্ধৰ ৰণ-নীতি, প্ৰযুক্তি আৰু কৌশলৰ আদান-প্ৰদানৰ বাবে এখন মঞ্চ প্ৰদান কৰিব।

০০০০০

আমেৰিকাৰ ছাউথ কেৰ'লিনা দ্বীপত এখন ৰেষ্টুৰেণ্টত কালি সংঘটিত এটা গুলীচালনাৰ ঘটনাত চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২০ জন লোক আহত হয়। বিউফ'ৰ্ট কাউণ্টি শ্বেৰিফৰ কাৰ্যালয়ে এখন বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি নিশা ১ বজাত ছেইণ্ট হেলেনা দ্বীপৰ এখন ৰেষ্টুৰেণ্টৰ পৰা কাৰ্যালয়ৰ সহকাৰীলৈ ফোন কৰি ঘটনা সম্পৰ্কে অৱগত কৰোৱা হয়। শ্বেৰিফ কাৰ্যালয়ে ঘটনাৰ তদন্তৰ বিষয়ে জনাই যদিও সবিশেষ প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। নিহতসকলৰ নাম এতিয়ালৈকে প্ৰকাশ কৰা হোৱা নাই। কাৰ্যালয়ে গুলীচালনাৰ সময়ত ঘটনাস্থলীত শতাধিক লোক জমা হৈ আছিল বুলি উল্লেখ কৰিছে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া সত্বেও পৰাজয়ৰ সন্মুখীন হয়। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৮ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩০ ৰান সংগ্ৰহ কৰে। অপেনাৰ স্মৃতি মন্ধানাই ৬৬টা বলত ৮০ ৰান কৰাৰ লগতে প্ৰতিকা ৰাৱলে ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ আনাবেল ছুথাৰলেণ্ডে ৫টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৩৩১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি অষ্ট্ৰেলিয়াই ৪৯ অভাৰত ৭ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ এলিছা হিলিয়ে ১০৭টা বলত ১৪২ ৰান কৰাৰ লগতে এলিছি পেৰীয়ে ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ নাল্লাপুৰেড্ডী চৰণীয়ে ৩টা উইকেট দখল কৰাৰ বিপৰীতে দিপ্তী শৰ্মা আৰু অমনজোত কৌৰে দুটাকৈ উইকেট লাভ কৰে। এলিছা হিলিক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত চলিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত কালি ৱেষ্ট ইণ্ডিজে দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৭৩ ৰানৰ পৰা আজি নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। খেলখন পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব।

ৱেষ্ট ইণ্ডিজ ৮টা উইকেট আউট হ'বলৈ বাকী থকা অৱস্থাত ভাৰতৰকৈ সামগ্ৰিকভাৱে ৯৭ ৰাণত পিছ পৰি আছে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৪৮ ৰাণ কৰিবলৈ সমৰ্থ হয় আৰু দলটো ফল'অনৰ সন্মুখীন হয়। দলটোৰে কালি ছাই হ'প আৰু জন কেম্পবেলৰ অৰ্ধশতকৰ সহায়ত তৃতীয় দিনৰ খেল সামৰে। কেম্পবেল আৰু হ'পে তৃতীয় উইকেটৰ যুটিত ১৩৮ ৰান যোগ দিয়ে।

০০০০০

এ এফ চি ১৭ বছৰ অনূৰ্ধ মহিলাৰ এছিয়ান কাপ ফুটবলৰ কোৱালিফায়াৰ্ছত ভাৰত আজি আয়োজক দেশ কিৰগিজ গণতন্ত্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গ্ৰুপ-জিৰ উদ্বোধনী খেলখন আজি ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৬ বজাত বিচকেকৰ অমুৰজাক'ভ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। এ এফ চি ১৭ বছৰ অনূৰ্ধ মহিলাৰ এছিয়ান কাপ ফুটবলত ভাৰতীয় মহিলা দলটোৱে ইয়াৰ পূৰ্বে ২০০৫ চনতেই অৱতীৰ্ণ হৈছিল। সুদীৰ্ঘ ২১ বছৰ বিৰতিৰ পাছতহে মহাদেশীয় পৰ্যায়ত তেওঁলোকে খেলাৰ সুযোগ লাভ কৰিছে। গ্ৰুপৰ আন এটা দল হৈছে উজবেকিস্তান। গ্ৰুপ পৰ্যায়ত বিজয়ী দলটোৱেহে অহাবছৰ মে'ত চীনত ১২ খন দেশৰ মাজত হ'বলগীয়া ফাইনেল প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰিব।

ooooo

সমাপ্ত